(১)

প্ৰশ্ন :> 'মামৰে ধৰা তৰোৱাল' উপন্যাসত প্ৰধান নাৰী চৰিত্ৰ নাৰাসনীৰ জীৱন কিদৰে প্ৰতিফলিত হৈছে লিখা ।

অথবা

'মামৰে ধৰা তৰোৱাল' উপন্যাসত 'নাৰাসনী' চৰিত্ৰৰ জৰিয়তে নাৰী মনস্তত্ত্বৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে লিখা ।

উত্তৰ :> দ্বিতীয় বিশ্বযুদ্ধৰ পিছত গল্প উপন্যাস ৰচনাত মনোনিৱেশ কৰি সফল সদস্যৰূপে প্ৰতিষ্ঠা লাভ কৰা আমাৰ বৰচুম গোস্বামীয়ে ১৯৮০ চনত 'মামৰে ধৰা তৰোৱাল' উপন্যাসৰ বাবে 'সাহিত্য অকাডেমী বঁটা' লাভ কৰিছিল। শ্ৰমিক জীৱনৰ সংঘাত, জীয়াই থকাৰ সংগ্ৰাম আৰু কষ্ট নিপীড়িত লোকসকলৰ জীৱনৰ মাজত আশাৰ কুসুমপাহি ফুটাবলৈ লগোৱা লৰা-ঢপৰাই 'মামৰে ধৰা তৰোৱাল'ৰ মূল উপজীব্য।

'নাৰাসনী' উপন্যাসখনৰ এক সতিশীল নাৰী চৰিত্ৰ। আই নদীৰ পাৰলৈ অহাৰ আগতে চাৰেংমাৰা গাঁৱত তাই চাহাবৰ কাপোৰ ধুইছিল। ইয়ালৈ আহি ছমহীয়া কেঁচুৱা আৰু সন্মাৰেমাৰী গিৰিয়েক শিৱু বাছুলাকলৈ বৰ্মঘটৰ অসমছোৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। নাৰাসনীৰ স্থলে কষ্টকৰ পৰিস্থিতিৰ সুযোগ লৈছে কোম্পানীৰ চাহাব ঠাকুৰে। চাহাবৰ কাপোৰ ধুবলৈ সি কেঁচুৱাটিৰ গাখীৰ খোৱাৰ বাবে চাহাবে পাঁচ টকা দিছে। অৰ্থনৈতিক অনাটনৰ সুযোগ লৈ ঠাকুৰ চাহাব নাৰাসনীকলৈ ভয়াবহ ষড়যন্ত্ৰত লিপ্ত হৈছে। নাৰাসনী ঠাকুৰ চাহাবৰ কোৱাটাৰত অকম্য যৌন নিৰ্যাতনৰ সন্মুখীন হৈছে।

মাৰাস্নী সৌন্দৰ্যৰ আকৰ আছিল। মন আছিল তাইৰ কল্পনা বিলাসিতাৰে উৰি ফুৰাৰ। শ্ৰমিক তিৰোতা হ'লেও কল্পনা কৰিবলৈ ভাল পাইছিল। কল্পনা প্ৰৱণ মনৰ অধিকাৰী মাৰাস্নীয়ে নিজকে সাজি কাচি ৰাখিছিল, এজন স্বামীক দেখাবাৰ লিপ্সা চাইছিল। মাৰাস্নীৰ দৈহিক সৌন্দৰ্যত মুগ্ধ হৈ ডেকা বয়সীয়া চাহাব জনে তাইৰ ওচৰ চাপি আহিছিল। কিন্তু এদিন হঠাৎ চাহাবজন বদলি হৈ যোৱাত মাৰাস্নী শ্ৰমিকসকলৰ নানা কথাৰ সন্মুখীন হৈছে। শ্ৰমিকসকলৰ মতে শ্ৰমিক তিৰোতা হৈও 'মেম চাহাব' হ'ব খোজা মাৰাস্নীক উপভোগ কৰি কুঁহিয়াৰৰ চিঠাৰ দৰে পেলাই থৈ গ'ল। শ্ৰমিক তিৰোতা মাৰাস্নীৰ দৈহিক সুষমা অৰ্থনৈতিক দুৰৱস্থাৰ আঁৰত থকা দুৰ্ভাগা পুঁজিপতি লোকৰ যৌন উপভোগৰ আহিলা হৈ থিয় দিছে।

কোম্পানীত পুনৰ ধৰ্মঘট চলি থকাৰ মাজতে নাচনী কাৰ্তিক গোলকে ঠাকুৰ চাহাবৰ বাংলালৈ অহাযোৱা কৰা হ'ল। এদিন তাই খাচু আৰু বাছু বোলা দুজন শ্ৰমিকৰ হাতত ধৰা পৰাত, কাৰ্তিকক ঢেলেকাৰ দৰে খুচুৰা পইচা কেইটা আগ বঢ়াই দিলে। তাই চিঞৰি চিঞৰি ক'ব ধৰিলে যে ধৰ্মঘট কৰি মিছাতে লোকৰ পেটৰ ভাতমুঠি কাঢ়ি নিয়া হৈছে। সেয়ে জীয়াই থাকিবৰ বাবে তাই যি মন যায় তাকে কৰিব, প্ৰয়োজন হ'লে তাই অনৈতিক কাৰ্যও কৰিব। তেওঁ মুখেৰে মাৰাস্নীৰ সেই অনৈতিক কাৰ্যৰ প্ৰতিক্ৰিয়া স্বৰূপে আৰু কাৰ্তিক ঠাকুৰ চাহাবৰ ওচৰলৈ পইচা বিচাৰি যোৱাৰ অপৰাধত মনোৰঞ্জনৰ হাতত মাৰ খাব লগা হৈছিল।

ধৰ্মঘটৰ বাবে আহি পৰা সুবিধাই